# চতুৰ্থ শ্ৰেণী (অসমীয়া)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
|---|---|
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগতশিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ বিভিন্ন ঘটনা, কাহিনী, কবিতা আদি পঢ়ি নিজৰ কথা ক'বলৈ, প্ৰশ্ন সুধিবলৈ আৰু নিজৰ কথা সংযোজন কৰিবলৈ সুযোগ দিব।<br>■ শিকনকোণত স্তৰ অনুসৰি থকা বিভিন্ন প্ৰকাৰৰ, বিভিন্ন ভাষাৰ আকৰ্ষণীয় শিকন আহিলা যেনে—শিশু-সাহিত্য, শিশু পত্ৰিকা, প্ৰচাৰ পত্ৰিকা বিভিন্ন দৃশ্য-শ্ৰাব্য সঁজুলি ব্যৱহাৰ কৰাৰ সুযোগ দিব।<br>■ বিভিন্ন ধৰণৰ কাহিনী, কবিতা, প্ৰচাৰ পত্ৰিকা, নাম ফলক (বস্তুৰ নাম, মানুহৰ নাম, পথৰ নাম, দোকানৰ নাম), বিজ্ঞাপন আদি পঢ়ি বুজি আনক বুজাবলৈ আৰু ইয়াৰ ওপৰত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ, আলোচনা কৰিবলৈ আৰু প্ৰশ্ন কৰিবলৈ সুযোগ দিব।<br>■ ছবিৰ আধাৰত গল্প, কাহিনী, সাধু আদি পঢ়ি, বুজি নিজাববীয়াকৈ ক'ব আৰু তাৰ বিষয়ে প্ৰশ্ন সুধিব আৰু সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ সুযোগ দিব।<br>■ ভিন ভিন উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি পঠনৰ কৌশলসমূহ আয়ত্ত কৰি শ্ৰেণীকক্ষত উপযুক্ত পৰিৱেশত পঢ়াৰ সুযোগ দিব।<br>■ উদ্দেশ্য অনুসৰি উপযুক্ত শব্দ আৰু বাক্য নিৰ্বাচন কৰি সেইবোৰ ব্যৱহাৰ কৰিবলৈ (ভাষাৰ চাৰিওটা কৌশল অনুসৰি) সুযোগ | ■ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ঘটনা, কাহিনী, কবিতা আদি পঢ়ি নিজৰ কথাৰে ক'ব, প্ৰশ্ন সুধিব আৰু নিজৰ কথা/ভাব সংযোজন কৰিব পাৰিব।<br>■ শিকনকোণত স্তৰ অনুসৰি থকা বিভিন্ন প্ৰকাৰৰ, বিভিন্ন ভাষাৰ আকৰ্ষণীয় শিক্ষণ-শিকন আহিলা, যেনে— শিশু-সাহিত্য, শিশু পত্ৰিকা, প্ৰচাৰ পত্ৰিকা বিভিন্ন দৃশ্য-শ্ৰাব্য সঁজুলি চাব আৰু ব্যৱহাৰ কৰিব পাৰিব।<br>■ বিভিন্ন ধৰণৰ কাহিনী, কবিতা, প্ৰচাৰ পত্ৰিকা, নামফলক (বস্তুৰ নাম, মানুহৰ নাম, পথৰ নাম, দোকানৰ নাম আদি), বিজ্ঞাপন আদি পঢ়ি নিজে বুজিব, আনক বুজাব আৰু ইয়াৰ বিষয়ে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব লগতে আলোচনা আৰু প্ৰশ্ন কৰিব পাৰিব।<br>■ ছবিৰ আধাৰত গল্প, কাহিনী, সাধু আদি পঢ়িব, বুজিব আৰু নিজাববীয়াকৈ ক'ব। পিছত এইবোৰৰ বিষয়ে প্ৰশ্ন সুধিব আৰু আনে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।<br>■ ভিন ভিন উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি পঠনৰ কৌশলসমূহ আয়ত্ত কৰিব আৰু শ্ৰেণীকক্ষত উপযুক্ত পৰিৱেশত পঢ়িব পাৰিব।<br>■ উদ্দেশ্য অনুসৰি উপযুক্ত শব্দ আৰু বাক্য নিৰ্বাচন কৰিব আৰু ভাষাৰ চাৰিওটা |




দিব।

- নিজৰ পৰিয়াল, বিদ্যালয়, গাঁৱৰ চৌপাশ, খেলপথাৰ, দৈনন্দিন জীৱনৰ সৈতে জড়িত ঘটনাৱলীৰ বিষয়ে লিখা, ইজনে-সিজনৰ লিখনিবোৰ শুনা, পঢ়া আৰু তাৰ বিষয়ে মন্তব্য দি নিজা অনুভৱ সংযোজন কৰি চমুকৈ বা বহলাই লিখাৰ সুযোগ দিব।
- নিজৰ ভাব-চিন্তা নিজাববীয়াকৈ প্ৰকাশ (মৌখিক, লিখিত আৰু সাংকেতিক ৰূপত) কৰিবলৈ সুযোগ দিব।
- শ্ৰেণীত বহুভাষিক শব্দ অৰ্থৰ তালিকা প্ৰস্তুত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সুযোগ দিব।
- বিষয়বস্তু সন্দৰ্ভত ভাষাৰ ভিন ভিন প্ৰকাশশৈলী বুজি পোৱা আৰু সেইবোৰৰ প্ৰয়োগ কৰাৰ সুযোগ দিব।
- অন্যান্য বিষয়, জীৱিকা, কলা আদি (যেনে— গণিত, বিজ্ঞান, সমাজ অধ্যয়ন, চিকিৎসা, শিল্প কলা আদি)ত প্ৰয়োগ হোৱা শব্দবোৰ বুজিবলৈ আৰু এইবোৰ পৰিৱেশ অনুসৰি প্ৰয়োগ কৰিবলৈ সুযোগ দিব।
- পাঠ্যপুথিত থকা আৰু পাঠবহিৰ্ভুত প্ৰাসংগিক কাহিনী, ঘটনা, চৌপাশে পোৱা প্ৰাকৃতিক, সামাজিক আৰু অন্যান্য সংবেদনশীল বিষয়বোৰ, ঘটনাবোৰ বুজি এইবিষয়ে চিন্তা চৰ্চা কৰাৰ সুযোগ দিব।
- চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে বিভিন্ন অভিজ্ঞতা (দেখি, শুনি, পঢ়ি) নিজাববীয়াকৈ প্ৰকাশ কৰাৰ সুযোগ দিব।
- ছাত্ৰ-ছাত্ৰীসকলে দেখা, শুনা আৰু পঢ়া কথাবোৰ মনোযোগেৰে অনুভৱ কৰি সেইবোৰৰ ওপৰত নিজৰ মনত উদয় হোৱা প্ৰশ্নবোৰ আলোচনা কৰি প্ৰতিক্ৰিয়া প্ৰকাশ

কৌশল অনুসৰি সেইবোৰ ব্যৱহাৰ কৰিব পাৰিব।

- শ্ৰেণীকোঠাত ইজনে-সিজনৰ লিখনিবোৰ পঢ়িব আৰু সেইবোৰৰ বিষয়ে মন্তব্য প্ৰকাশ কৰিব। পিছত নিজৰ অনুভৱ সংযোজন কৰি চমুকৈ বা বহলাই লিখিব পাৰিব।
- নিজৰ ভাব, চিন্তা মৌখিক, লিখিত, সাংকেতিক ৰূপত প্ৰকাশ কৰিব পাৰিব।
- সৃজনী শক্তিৰ বিকাশ ঘটিব, নতুন নতুন বাক্য ৰচিব আৰু অভিজ্ঞতা সমূহ (মৌখিক আৰু লিখিত ৰূপত)প্ৰকাশ কৰিব পাৰিব।
- শ্ৰেণীকক্ষত বহুভাষিক শব্দ অৰ্থৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।
- বিষয়বস্তু সন্দৰ্ভত ভাষাৰ ভিন ভিন প্ৰকাশশৈলী বুজিব আৰু সেই শৈলীবোৰ প্ৰয়োগ কৰিব পাৰিব।
- অন্যান্য বিষয়, জীৱিকা, কলা আদি (যেনে— গণিত, বিজ্ঞান, সমাজ অধ্যয়ন, শিল্প-কলা, চিকিৎসা আদি)ত প্ৰয়োগ কৰা শব্দবোৰ বুজিব আৰু এই শব্দবোৰ পৰিৱেশ অনুযায়ী প্ৰয়োগ কৰিব পাৰিব।
- পাঠ্যপুথিত পোৱা/থকা আৰু পাঠবৰ্হিভূত প্ৰাসংগিক কাহিনী, ঘটনা, চৌপাশে দেখা প্ৰাকৃতিক, সামাজিক আৰু অন্যান্য সংবেদনশীল বিষয়বোৰ, ঘটনাবোৰ বুজিব আৰু চিন্তা-চৰ্চা কৰিব পাৰিব।
- চিন্তা আৰু কল্পনা শক্তিৰ সহায়ত বিভিন্ন অভিজ্ঞতা (দেখি, শুনি, পঢ়ি) নিজাববীয়াকৈ প্ৰকাশ কৰিব পাৰিব।



কৰাৰ সুযোগ দিব।

- উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলে দেখা, শুনা আৰু পঢ়া বিষয়বস্তু, ঘটনা, কাহিনী, কবিতা আদিৰ বিষয়ে চিন্তাৰ আদান-প্ৰদান, নিজৰ মত প্ৰতিষ্ঠাৰ বাবে যুক্তি প্ৰদৰ্শন আৰু সেই লিখনিবোৰৰ বিষয়ে নিজৰ অনুভৱ, চিন্তা সংযোজন কৰাৰ সুযোগ দিব।
- পঠনৰ আহিলা, (যেনে— দৈনিক বাতৰি-কাকত, শিশু-সাহিত্য আদি)ত থকা সংবেদনশীল, স্পৰ্শকাতৰ দিশবোৰ পঢ়ি, বুজি মৌখিক আৰু লিখিতভাৱে নিজৰ অনুভৱ/চিন্তা ব্যক্ত কৰাৰ সুযোগ দিব।
- বিভিন্ন লিখনিত পোৱা নতুন শব্দৰ প্ৰসংগ বুজি তাৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান চোৱাৰ সুযোগ দিব আৰু এই নতুন শব্দবোৰ ব্যৱহাৰ কৰাৰো সুযোগ দিব।
- স্তৰ অনুসৰি বিভিন্ন বিষয়ৰ লিখন শৈলী সম্পৰ্কে জনাৰ আৰু প্ৰয়োজনবোধে প্ৰয়োগ কৰাৰ সুযোগ দিব।
- দৃশ্য-শ্ৰাব্য সঁজুলি ব্যৱহাৰ কৰি আবৃত্তি কৰাৰ সুযোগ দিব।
- শিশু-আলোচনী, সাধু-কথাৰ পুথি, নাটক, বাতৰি-কাকত পঢ়াৰ সুযোগ দিব।
- চিঠি-পত্ৰ, আৱেদন অনুশীলন কৰাৰ সুযোগ দিব।
- শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী চাই আৰু অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান শুনি নিজাকৈ গদ্যৰূপত কোৱাৰ সুযোগ দিব।
- শ্ৰুতলিপি লিখাৰ সুযোগ দিব।
- যুক্তাক্ষৰযুক্ত প্ৰতিলিপি লিখনৰ সুযোগ

- দেখা, শুনা আৰু পঢ়া কথাবোৰ মনোযোগেৰে অনুভৱ কৰিব আৰু এই সন্দৰ্ভত নিজৰ মনত উদয় হোৱা প্ৰশ্নবোৰ আলোচনা কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰিব।
- পঠনৰ আহিলা (যেনে- দৈনিক বাতৰি-কাকত, শিশু-সাহিত্য আদি)ত থকা সংবেদনশীল, স্পৰ্শকাতৰ দিশবোৰ পঢ়িব, বুজিব আৰু (মৌখিক আৰু লিখিতভাৱে) নিজৰ অনুভৱ, চিন্তা ব্যক্ত কৰিব পাৰিব।
- বিভিন্ন লিখনিত পোৱা নতুন শব্দৰ প্ৰসংগ বুজিব আৰু শব্দবোৰৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব।
- নতুন শব্দবোৰ প্ৰয়োজনত (মৌখিক, লিখিত ৰূপত) ব্যৱহাৰ কৰিব পাৰিব।
- স্তৰ অনুসৰি বিভিন্ন বিষয়ৰ লিখন শৈলী সম্পৰ্কে জানিব আৰু প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিব পাৰিব।
- যুক্তাক্ষৰযুক্ত শব্দ থকা বাক্যৰ সহায়ত সাধু, গল্প আদি ক'ব। যুক্তাক্ষৰ ভাঙিব আৰু লিখিব পাৰিব।
- পদ্য/কবিতা আবৃত্তি কৰিব পাৰিব।
- শিশু-আলোচনী, সাধু-কথাৰ পুথি, নাটক, বাতৰি-কাকত পঢ়িব।
- চিঠি-পত্ৰ, আৱেদন লিখিব পাৰিব।
- শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী চাব আৰু অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান শুনি নিজাববীয়াকৈ গদ্যৰূপত ক'ব পাৰিব।



দিব।


- দৃশ্য-শ্ৰাব্য সজুঁলিৰ (বৈদ্যুতিন) মাধ্যমত বক্তৃতা, ভাষণ, চলন্ত বিৰৰণী, বিজ্ঞাপন, কথোপকথন, বাতৰি আদি শুনি বুজিবলৈ সুযোগ দিব।
- কোনো গল্প, কাহিনী পঢ়ি, শুনি কাহিনীটোৰ বিষয়ে জানিবলৈ, ঘটনাৰ ক্ৰম ৰক্ষা কৰিবলৈ, যুক্তি দিবলৈ আৰু ঘটনা সম্পৰ্কত মতামত দিবলৈ সুযোগ দিব।
- মহাপুৰুষৰ জীৱনী, গল্প, কাহিনী আদি পঢ়ি শুনোৱা আৰু আলোচনা কৰাৰ সুযোগ দিব।
- সাঁথৰ সোধা আৰু ভঙা, ফকৰা-যোজনা, প্ৰবচন, নীতিকথা আদি জানি বুজি সঠিকভাৱে প্ৰয়োগ কৰাৰ সুযোগ দিব।
- বিভিন্ন পাঠ, বিষয়, অভিজ্ঞতা আদি অভিনয়ৰ জৰিয়তে প্ৰকাশ কৰাৰ সুযোগ দিব। (শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে)
- জাতীয় সাহিত্য, সংস্কৃতি, ঐতিহ্য, পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়ি তাৰ বিষয়ে জানিবলৈ আগ্ৰহ বৃদ্ধি কৰিবলৈ সুযোগ দিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী পঢ়িবলৈ, তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জানিবলৈ আৰু বুজিবলৈ সুযোগ দিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ, লিংগ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়ি জানিবলৈ আৰু হৃদয়ঙ্গম কৰিবলৈ সুযোগ দিব।

- শ্ৰুতলিপি লিখিব পাৰিব আৰু শুদ্ধকৈ, খৰকৈ লিখাৰ অৰ্হতা আহৰণ কৰিব পাৰিব।
- ছপা বা আনে লিখা পঠন সামগ্ৰীত থকা যুক্তাক্ষৰযুক্ত শব্দ আৰু বাক্য পঢ়ি বুজি লিখিব পাৰিব।
- দৃশ্য-শ্ৰাব্য সঁজুলিৰ বৈদ্যুতিন মাধ্যমত বক্তৃতা, চলন্ত বিৰৰণী, বিজ্ঞাপন, কথোপকথন, বাতৰি আদি শুনি বুজিব পাৰিব।
- কোনো গল্প, কাহিনী পঢ়ি, শুনি কাহিনীটোৰ বিষয়ে জানিব, ঘটনাৰ ক্ৰম ৰক্ষা কৰি ক'ব, যুক্তি দিব আৰু ঘটনা সম্পৰ্কত মতামত দিব পাৰিব।
- সাঁথৰ সুধিব আৰু ভাঙিব, ফকৰা যোজনা, প্ৰবচন, নীতিকথা আদি জানিব, বুজিব আৰু সঠিকভাৱে প্ৰয়োগ কৰিব পাৰিব।
- বিভিন্ন পাঠৰ বিষয়, অভিজ্ঞতা আদি অভিনয়ৰ জৰিয়তে শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে প্ৰকাশ কৰিব পাৰিব।
- জাতীয় সাহিত্য, সংস্কৃতি, ঐতিহ্য পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়িবলৈ ৰুচি জন্মিব।
- প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী পঢ়িব, তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱন শৈলী সম্পৰ্কে জানিব, বুজিব আৰু অনুপ্ৰাণিত হ'ব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়ি জানিব, হৃদয়ঙ্গম কৰিব আৰু বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।



# পঞ্চম শ্ৰেণী (অসমীয়া)


| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
|---|---|
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগতশিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ বিবিধ বিষয়, ঘটনা, অনুভৱ, কাহিনী, কবিতা আদি নিজাববীয়াকৈ ক'বলৈ, প্ৰশ্ন সুধিবলৈ, মন্তব্য দিবলৈ স্বাধীনতা দিব।<br>■ পুথিভঁৰাল আৰু শ্ৰেণী কোঠাত বেলেগে বেলেগ ধৰণৰ শিশু উপযোগী কাহিনী, কবিতা, শিশু-সাহিত্য, স্তৰ অনুসৰি থকা পঠন সামগ্ৰী, নামফলক, বিজ্ঞাপন ফলক, বাতৰি-কাকতৰ পৰিসৰত থকা বিভিন্ন ঘটনা প্ৰবাহৰ ওপৰত চৰ্চা কৰিবলৈ সুযোগ দিব।<br>■ শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী, অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান চাই আৰু শুনি নিজাকৈ গদ্যৰূপত কোৱাৰ সুবিধা দিব।<br>■ দেখা, শুনা আৰু পঢ়া কথা, ছবি, শব্দ আৰু বাক্যৰে প্ৰকাশ কৰাৰ সুযোগ দিব।<br>■ ওচৰে-পাজৰে হোৱা ঘটনাবোৰক লৈ প্ৰশ্ন কৰিবলৈ, সমনীয়াৰ সৈতে কথা-বতৰা বা আলাপ-আলোচনা কৰিবলৈ, মন্তব্য দিবলৈ সুযোগ দিব।<br>■ বিষয়বস্তুৰ তাৎপৰ্য, লিখনিসমূহ পঢ়ি ভাষাৰ বিবিধ শাখাৰ লগত জড়িত নিয়ম সম্পৰ্কে বুজিবলৈ আৰু সেইবোৰ প্ৰয়োগ কৰিবলৈ সুযোগ দিব।<br>■ নতুন নতুন শব্দবোৰ অভিধান/শব্দকোষ চাবলৈ সুযোগ দিব।<br>■ গণিত, বিজ্ঞান, সমাজ-অধ্যয়ন, নৃত্য, চিকিৎসা, শিল্প-কলা, ব্যৱসায় আদিত ব্যৱহৃত শব্দাৱলী বুজিবলৈ আৰু এই শব্দবোৰ প্ৰয়োজন অনুসৰি প্ৰয়োগ কৰিবলৈ সুযোগ দিব।<br>■ বিভিন্ন শাখাৰ লিখনিসমূহ পঢ়ি-শুনি বিষয়বস্তুৰ তাৎপৰ্য বুজিবলৈ আৰু বিবিধতা অনুসৰি সাহিত্যৰ ৰস আৰু ৰচনা ৰীতি বুজি লিখিত আৰু কথিত ৰূপত প্ৰকাশ কৰিবলৈ সুযোগ দিব।<br>■ বৈদ্যুতিন মাধ্যমত বক্তৃতা, ভাষণ, চলন্ত বিৱৰণী, বিজ্ঞাপন, কথোপকথন, বাতৰি আদি শুনি | ■ বিবিধ ঘটনা, অনুভৱ, কাহিনী, কবিতা আদি নিজাববীয়াকৈ শুনাব, প্ৰশ্ন কৰিব আৰু নিসংকোচে মন্তব্য দিব পাৰিব।<br>■ পুথিভঁৰাল/শ্ৰেণী কোঠাত বেলেগ বেলেগ ধৰণৰ শিশু উপযোগী কাহিনী, কবিতা, শিশু-সাহিত্য, স্তৰ অনুসৰি থকা পঠন সামগ্ৰী, নামফলক, বিজ্ঞাপন ফলক, বাতৰি কাকতৰ বিভিন্ন ঘটনা প্ৰবাহৰ ওপৰত আলোচনা কৰিব।<br>■ শিশু উপযোগী ভাওনা, ভ্ৰাম্যমাণ থিয়েটাৰৰ নাটক, দূৰদৰ্শনৰ কাৰ্যসূচী, অনাতাঁৰ কেন্দ্ৰৰ দ্বাৰা প্ৰচাৰিত অনুষ্ঠান চাই আৰু শুনি নিজাকৈ গদ্যৰূপত ক'ব পাৰিব।<br>■ দেখা, শুনা আৰু পঢ়া কথা, ছবি, শব্দ আৰু বাক্যৰে প্ৰকাশ কৰিব পাৰিব।<br>■ ওচৰে-পাজৰে হোৱা ঘটনাবোৰৰ বিষয়ে প্ৰশ্ন কৰিব, সমনীয়াৰ সৈতে কথা-বতৰা পাতিব বা আলাপ আলোচনা কৰিব আৰু মন্তব্য দিব পাৰিব।<br>■ বিষয়বস্তুৰ তাৎপৰ্য, ভাষাৰ বিবিধ শাখাৰ লিখনিসমূহ পঢ়ি সেইবোৰৰ লগত জড়িত নিয়ম সম্পৰ্কে (লিখনিৰ নিয়ম) বুজিব আৰু প্ৰয়োগ কৰিব পাৰিব।<br>■ নতুন নতুন শব্দবোৰ অভিধান/শব্দকোষত চাই অৰ্থ জানিব আৰু শব্দৰ জ্ঞান বাঢ়িব।<br>■ গণিত, বিজ্ঞান, সমাজ অধ্যয়ন, নৃত্য, চিকিৎসা, শিল্প-কলা, ব্যৱসায় আদিত ব্যৱহৃত শব্দাৱলী পঢ়ি বুজিব আৰু এই শব্দবোৰ প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰিব।<br>■ বিভিন্ন শাখাৰ লিখনিসমূহ পঢ়ি শুনি বিষয়বস্তুৰ তাৎপৰ্য বুজিব আৰু বিবিধতা অনুসৰি সাহিত্যৰ ৰস আৰু ৰচনা ৰীতি বুজি লিখিত আৰু কথিত ৰূপত প্ৰকাশ কৰিব পাৰিব।<br>■ বৈদ্যুতিন মাধ্যমত বক্তৃতা, ভাষণ, চলন্ত বিৱৰণী, বিজ্ঞাপন, কথোপকথন, বাতৰি আদি শুনি বুজি পাব। |



বুজিবলৈ সুবিধা দিব।

- ছাত্ৰ-ছাত্ৰীয়ে জনা গল্প, কাহিনী, সাধু আদি কোৱাৰ সুযোগ দিব।
- ছবি, চাৰ্ট আদিৰ সহায়ত ক্ৰম অনুসৰি দেখা, শুনা ঘটনা কোৱাৰ সুযোগ দিব।
- চিঠি আৰু আবেদন অনুশীলন কৰাৰ সুযোগ দিব।
- যুক্তাক্ষৰযুক্ত দফা, গল্প, সাধু, কাহিনী পঢ়াৰ সুযোগ দিব।
- স্থানীয় গীত-মাত, শিল্প-কলা, সংগ্ৰহ কৰি প্ৰয়োগ/ ব্যৱহাৰ কৰাৰ সুযোগ দিব।
- বিভিন্ন পঠন সামগ্ৰী, (যেনে— শিশু-সাহিত্য, শিশু পত্ৰিকা, নাম ফলক, বিজ্ঞাপন ফলক আদি) ৰ সহায়ত শুদ্ধ পঠন কৰাৰ সুযোগ দিব।
- দৈনন্দিন কাৰ্যসমূহৰ তালিকা প্ৰস্তুত কৰিবলৈ সুযোগ দিব। শ্ৰুতলিপি, প্ৰতিলিপি আৰু অনুলিপি আদি অনুশীলন কৰাৰ সুযোগ দিব।
- কোনো ঘটনা, উৎসৱ আদিৰ বিষয়ে ধাৰাবাহিক বৰ্ণনা লিখাৰ সুযোগ দিব।
- জীৱ-জন্তু, বিভিন্ন সামগ্ৰী পৰ্যৱেক্ষণ কৰি নিজাববীয়াকৈ ৰচনা লিখাৰ সুযোগ দিব।
- লিংগ বৈষম্যমূলক লিখনি পঢ়ি ল'ৰা-ছোৱালীৰ মাজত ভেদ ভাব নৰখা সম্পৰ্কে বুজাৰ সুযোগ দিব।
- ছোৱালীৰ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দি লিখা পাঠ ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ আৰু সেই বিষয়ে আলোচনা কৰিবলৈ সুযোগ দিব।
- প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কীয় লিখনি পঢ়ি বুজি এইবোৰ প্ৰয়োগ কৰাৰ সুযোগ দিব।
- স্বাস্থ্য নীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কীয় লিখনি পঢ়ি ব্যক্তিগত আৰু সামাজিক জীৱনত প্ৰয়োগ কৰাৰ সুবিধা দিব।
- চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে বিভিন্ন অভিজ্ঞতা (দেখি, শুনি, পঢ়ি) নিজাকৈ প্ৰকাশ কৰিবলৈ সুযোগ দিব।
- কোনো কাহিনী, গল্প আদি পঢ়ি কাহিনীটোৰ বিষয়ে জানিবলৈ, ঘটনাৰ ক্ৰম ৰক্ষা কৰিবলৈ, যুক্তি দিবলৈ আৰু ঘটনা সম্পৰ্কত মতামত দিবলৈ সুযোগ দিব।
- মহাপুৰুষৰ জীৱনী, গল্প, কাহিনী আদি পঢ়ি শুনোৱা আৰু আলোচনা কৰাৰ সুযোগ দিব।
- সাঁথৰ সোধা আৰু ভঙা, ফকৰা-যোজনা, প্ৰবচন, নীতি কথা আদি জানি বুজি সঠিকভাৱে প্ৰয়োগ কৰাৰ সুযোগ দিব।
- বিভিন্ন পাঠ, বিষয়, অভিজ্ঞতা আদি অভিনয়ৰ

- দৈনন্দিন জীৱনত শুনা, দেখা ঘটনা, কাহিনী আদি মান্যভাষাত বৰ্ণনা কৰি ক'ব পাৰিব।
- ছবি, চাৰ্ট পৰ্যৱেক্ষণ কৰি কাহিনী, ঘটনা আদিৰ ক্ৰম ৰক্ষা কৰি মান্য ভাষাত ক'ব পাৰিব।
- চিঠি-পত্ৰ আৰু আবেদন লিখিব পাৰিব।
- যুক্তাক্ষৰযুক্ত দফা, গল্প, সাধু, কাহিনী পঢ়ি বুজি পাব।
- স্থানীয় গীত-মাত, শিল্প-কলা আদি সংগ্ৰহ কৰি প্ৰয়োগ কৰিব পাৰিব।
- যতি, বিৰামৰ নিয়ম মানি শুদ্ধ উচ্চাৰণেৰে পঢ়িব পাৰিব।
- দিনলেখা লিখিব পাৰিব।
- শ্ৰুতলিপি, প্ৰতিলিপি আৰু অনুলিপিৰ সহায়ত শুদ্ধকৈ লিখিব আৰু লিখনৰ গতিবেগ বঢ়াব পাৰিব।
- কোনো ঘটনা, উৎসৱ আদিৰ বিষয়ে ধাৰাবাহিক বৰ্ণনা লিখিবলৈ অভ্যাস গঠন হ'ব।
- জীৱ-জন্তু, বিভিন্ন সামগ্ৰী পৰ্যৱেক্ষণ কৰি নিজাববীয়াকৈ ৰচনা লিখিব পাৰিব।
- লিংগ বৈষম্যমূলক লিখনি পঢ়ি সমঅধিকাৰৰ কথা জানিব পাৰিব।
- সমাজত ছোৱালীৰ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দি লিখা লিখনি পঢ়িব, বুজিব আৰু সচেতন হ'ব।
- প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কীয় লিখনি পঢ়ি বুজিব আৰু এইবোৰ বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- স্বাস্থ্য নীতি আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কীয় লিখনি পঢ়ি, লিখি এইবোৰ প্ৰয়োগ কৰিব পাৰিব।
- চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে বিভিন্ন অভিজ্ঞতা (দেখি, শুনি আৰু পঢ়ি) নিজাববীয়াকৈ প্ৰকাশ কৰিব পাৰিব।
- কোনো কাহিনী, গল্প আদি পঢ়ি কাহিনীটোৰ বিষয়ে জানিব, ঘটনাৰ ক্ৰম ৰক্ষা কৰিব আৰু ঘটনা সম্পৰ্কত মতামত দিব পাৰিব।
- মহাপুৰুষৰ জীৱনী, গল্প, কাহিনী আদি পঢ়ি শুনাব আৰু আলোচনা কৰিব পাৰিব।
- সাঁথৰ সুধিব আৰু ভাঙিব, ফকৰা-যোজনা, প্ৰবচন, নীতি কথা আদি জানি বুজি সঠিকভাৱে প্ৰয়োগ কৰিব।
- শ্ৰেণীকোঠাৰ ভিতৰে-বাহিৰে বিভিন্ন পাঠ, বিষয় অভিজ্ঞতা আদি অভিনয়ৰ জৰিয়তে প্ৰকাশ কৰিব পাৰিব।



| | |
|---|---|
| জৰিয়তে শ্ৰেণীকোঠাৰ ভিতৰে-বাহিৰে প্ৰকাশ কৰাৰ সুযোগ দিব।<br>■ জাতীয় সাহিত্য, সংস্কৃতি, ঐতিহ্য, পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়ি তাৰ বিষয়ে জানিবলৈ আৰু আগ্ৰহ বৃদ্ধি কৰিবলৈ সুযোগ দিব।<br>■ প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎ লোকৰ জীৱনী আৰু তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জনা আৰু বুজাৰ সুযোগ দিব।<br>■ বৈজ্ঞানিক দৃষ্টিভঙ্গী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়ি জানিবলৈ আৰু হৃদয়ঙ্গম কৰিবলৈ সুযোগ দিব।<br>■ স্তৰ অনুসৰি ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞানৰ বিকাশ কৰাৰ সুযোগ দিব। | ■ জাতীয় সাহিত্য, সংস্কৃতি, ঐতিহ্য-পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়ি সেই বিষয়ে জানিবলৈ আগ্ৰহী হ'ব পাৰিব।<br>■ প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎলোকৰ জীৱনী আৰু তেওঁলোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জানিব, বুজিব আৰু অনুপ্ৰাণিত হ'ব পাৰিব।<br>■ বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়ি জানিব আৰু হৃদয়ঙ্গম কৰিব লগতে প্ৰয়োজন অনুসৰি প্ৰয়োগ কৰিব পাৰিব।<br>■ ব্যাৱহাৰিক ব্যাকৰণৰ বিকাশ হ'ব আৰু এইবোৰ যথাযথভাৱে প্ৰয়োগ কৰিব পাৰিব। |


## কাৰিকুলামৰ আকাংক্ষিত লক্ষ্য
## ভাষা (অসমীয়া)
## ৬ষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ

কাৰিকুলাম সম্বন্ধীয় আকাংক্ষিত লক্ষ্যসমূহ আমাৰ ৰাজ্য অসমখনৰ সকলো ছাত্ৰ-ছাত্ৰীৰ (জাতি, ধৰ্ম, ভাষা, বৰ্ণ, লিংগ আৰু বিশেষভাৱে সক্ষম নিৰ্বিশেষে) প্ৰতি লক্ষ্য ৰাখি (প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাষা হিচাপে অসমীয়া ভাষা পঢ়া ছাত্ৰ-ছাত্ৰী) প্ৰস্তুত কৰা হৈছে। তাৰোপৰি আমাৰ ৰাজ্য অসমৰ স্থানীয় বৈশিষ্ট্য, সংস্কৃতি, পৰিৱেশ, ঐতিহ্য, পৰম্পৰা আদিৰ প্ৰতিও গুৰুত্ব আৰোপ কৰা হৈছে।

* যিকোনো লিখনি/পুথি/কিতাপ/(ছাত্ৰ-ছাত্ৰীসকলৰ অনুকূল) আদি পঢ়িবলৈ আৰু বুজিবলৈ অনুসন্ধিৎসা প্ৰকাশ কৰা।
* বাতৰি-কাকত/আলোচনী আদিত প্ৰকাশিত বাতৰি পঢ়ি কথাবোৰ হৃদয়ঙ্গম কৰা।
* বিভিন্ন সামাজিক আৰু সাংস্কৃতিক মূল্যবোধ সম্পৰ্কে আত্মোপলব্ধি প্ৰকাশ কৰা।
* লিখনিবোৰ শুনি, পঢ়ি বুজি পোৱা, ব্যাখ্যা কৰা, প্ৰকাশ কৰা।
* নিজৰ লগতে আনৰো অনুভৱবোৰ ক'বলৈ, শুনিবলৈ, পঢ়িবলৈ আৰু লিখিবলৈ আয়ত্ব কৰা। (মৌখিক, লিখিত আৰু ইংগিত ধৰ্মী ৰূপত)।
* স্তৰ অনুযায়ী দৃশ্য-শ্ৰাব্য মাধ্যমৰ সামগ্ৰীৰ (যেনে— শিশু-সাহিত্য, বাতৰি-কাকত, আলোচনী, নাটক, চিনেমা, বৈদ্যুতিন মাধ্যম) ওপৰত নিজৰ মতামত ব্যক্ত কৰা।
* সাহিত্যৰ বিভিন্ন শাখাবোৰৰ (যেনে— গল্প, কবিতা, সাধু-কথা, প্ৰবন্ধ, নাটক, জীৱনী, ধৰ্মগ্ৰন্থ আদি) লগত পৰিচয় আৰু ৰসাস্বাদন কৰা।
* দৈনন্দিন জীৱনৰ আনুষ্ঠানিক পৰিৱেশত ব্যৱহৃত হোৱা ভাষা বুজি পোৱা।
* ভাষা-সাহিত্যৰ বিভিন্ন সৃষ্টিশীল ৰচনা পঢ়া, বুজা আৰু প্ৰশংসা কৰা।
* অসমীয়া ভাষাত প্ৰকাশিত বিষয়সমূহ যুক্তিপূৰ্ণভাৱে বুজি পোৱা।
* পাঠৰ বিশেষত্ব বুজি পোৱা আৰু তাৰ সৈতে জড়িত বিষয় সম্পৰ্কে নিজস্ব মতামত ব্যক্ত কৰা।
* বিভিন্ন বিষয়ৰ সৈতে সংযুক্ত ভাষাৰ ৰূপ, লয় আৰু অৰ্থ বুজি পোৱা।
* ভাষাৰ নীতি-নিয়মৰ সৈতে পৰিচিত হোৱা আৰু বিশ্লেষণ কৰা।
* নতুন বিষয়/পৰিৱেশত ভাষাৰ প্ৰয়োগ শিকা।
* বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আদি অন্যান্য বিষয়সমূহত ব্যৱহৃত ভাষা সঠিক ৰূপত বুজি পোৱা আৰু তাৰ প্ৰয়োগ কৰা।
* অসমীয়া ভাষা-সাহিত্যক বুজি তাৰ সামাজিক দায়বদ্ধতাৰ প্ৰতি সজাগ হোৱা।

মাতৃভাষাৰ ৰূপতাত্ত্বিক, ধ্বনিগত আৰু অৰ্থগত তাৎপৰ্য পোৱা।

* পঢ়ি, শুনি, লিখি আৰু দেখি-বুজি হোৱা অভিজ্ঞতাৰ ভিত্তিত ভাষাৰ সৃষ্টিশীল প্ৰয়োগ কৰা।




# ষষ্ঠ শ্ৰেণী (অসমীয়া)

| পৰামৰ্শমূলক শিক্ষণ-শিকন প্ৰক্ৰিয়া— | শিকনৰ ফলাফল |
|---|---|
| ছাত্ৰ-ছাত্ৰীসকলক স্ব-শিকন/যুৰীয়া শিকন/দলগতশিকন প্ৰক্ৰিয়াত অংশ গ্ৰহণৰ বাবে সুযোগ দিব আৰু নিম্ন লিখিত কাৰ্যসমূহ কৰিবলৈ উৎসাহিত কৰিব।<br>■ শ্ৰৱণ আৰু কথন কৌশলৰ বিকাশৰ উদ্দেশ্যে শ্ৰেণীকক্ষত পৰস্পৰৰ মাজত কথা-বতৰা পতাৰ পৰিৱেশ সুযোগ দিব।<br>■ ছাত্ৰ-ছাত্ৰীৰ মাজত সক্ৰিয়তা আৰু সজাগতা আনিবৰ বাবে বয়সৰ লগত খাপ খুৱাই বিভিন্ন ৰচনা সম্ভাৰ বাতৰি-কাকত (শিশু চ'ৰা), শিশু-আলোচনী আদি পঢ়াৰ সুবিধা দিয়া। প্ৰজেক্টৰৰ সহায়ত চিনেমা, দৃশ্য-শ্ৰাব্য সঁজুলিৰ (ৰেডিঅ' আৰু দূৰদৰ্শন) সহায়ত প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিব।<br>■ ছাত্ৰ-ছাত্ৰীক নিজৰ মত প্ৰকাশ কৰা আৰু প্ৰশ্ন সোধাৰ স্বাধীনতা প্ৰদান কৰাৰ সুবিধা দিব।<br>■ বিভিন্ন বিষয়ৰ জ্ঞান কিমানখিনি আয়ত্ব কৰিব পাৰিছে, তাৰ বাবে প্ৰশ্নোত্তৰ পদ্ধতিৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ বাগ্মিতা গুণৰ বিকাশ কৰাৰ সুবিধা দিব।<br>■ প্ৰতিষ্ঠিত কবি, সাহিত্যিক আৰু মহৎ লোকৰ কৰ্মৰাজি আৰু জীৱনশৈলী সম্পৰ্কে জনা আৰু বুজাৰ সুযোগ দিব। | ■ প্ৰাকৃতিক আৰু যান্ত্ৰিক ধ্বনিবোৰ (বৰষুণ, যানবাহন আদি) শুনি অনুভৱ কৰি ভাষাৰে প্ৰকাশ কৰিব পাৰিব। বিশেষভাৱে সক্ষম সকলে সাংকেতিক ভাষাত প্ৰকাশ কৰিব পাৰিব।<br>■ নিজে দেখা, শুনা সমসাময়িক সামাজিক ঘটনা প্ৰবাহৰ ওপৰত এককভাৱে বা দলগতভাৱে আলোচনা কৰি যুক্তিপূৰ্ণ বক্তব্য দিব পাৰিব। কিবা খোকোজা থাকিলে প্ৰশ্ন সুধিব পাৰিব।<br>■ বিভিন্ন ৰচনা সম্ভাৰ, বাতৰি-কাকত, শিশু-আলোচনীত প্ৰকাশিত ৰচনাৰাজি পঢ়ি নিজৰ মতামত প্ৰকাশ কৰিব পাৰিব।<br>■ অনাতাঁৰ, দূৰদৰ্শনৰ খবৰ শুনি, বাতৰি কাকতৰ খবৰ পঢ়ি নিজৰ ভাষাত প্ৰকাশ কৰিব পাৰিব।<br>■ বাগ্মিতা গুণৰ বিকাশ হ'ব।<br>■ প্ৰতিষ্ঠিত কবি, সাহিত্যিকৰ ৰচনাৱলী পঢ়ি সাহিত্যৰ বিভিন্ন শাখাৰ (যেনে— সাধু-কথা, গল্প, কবিতা, জীৱনী, প্ৰৱন্ধ আদি) নিৰ্দিষ্ট বৈশিষ্ট্য আৰু লিখন শৈলীৰ বিষয়ে জানিব পাৰিব।<br>■ সাধু-কথা, কাহিনী আদি পঢ়ি, শুনি সাৰমৰ্ম বুজি নিজৰ ভাষাত প্ৰকাশ কৰিব পাৰিব। |



- সমসাময়িক পৰিস্থিতিৰ সৈতে ছাত্ৰ-ছাত্ৰীক আগুৱাই নিবৰ বাবে পাঠ্যপুথি বৰ্হিভূত কিতাপ পঢ়াৰ সুবিধা দিব।
- যান্ত্ৰিকভাৱে সাহিত্যৰ পাঠ নপঢ়ি প্ৰয়োজন অনুসৰি বিষয়বস্তু আয়ত্ত কৰাবলৈ পাঠৰ লগত সংগতি ৰাখি অভিনয়, কবিতা আবৃত্তি, সৃজনীমূলক লিখনি, ফকৰা-যোজনা, অভিনয়, প্ৰবচন আদি ব্যৱহাৰৰ ব্যৱস্থা আৰু পাণ্ডুলিপি, জাননী, চিঠি আদি লিখিবলৈ সুবিধা দিব।
- গল্প, কবিতা, গান, নাটক আদিয়ে শিশুক সাংস্কৃতিক ঐতিহ্যৰ সৈতে চিনাকি কৰি দিয়ে। পাঠ্যপুথিৰ অন্তৰ্গত গল্প, কবিতা, গীত-মাতৰ আলমত ছাত্ৰ-ছাত্ৰীক স্থানীয়ভাৱে পোৱা গীত-মাত, সাধু-কথা সংগ্ৰহ কৰাৰ সুবিধা দিব। এই ক্ষেত্ৰত প্ৰকল্প পদ্ধতিৰ সহায় ল'ব।
- স্তৰ অনুসৰি অন্য বিষয়, ব্যৱসায়, কলা আদিত (গণিত, সমাজবিদ্যা, বিজ্ঞান, শিল্প-কলা, চিকিৎসা আদি) প্ৰয়োগ হোৱা শব্দবোৰ বুজি পাব, তাৎপৰ্য আৰু অৱস্থাভেদে সেইবোৰ লিখনত ব্যৱহাৰ কৰিবলৈ সুবিধা দিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে জানিবলৈ আৰু অনুভৱ কৰিবলৈ সুযোগ দিব।
- বিভিন্ন ধৰণৰ গদ্য পাঠ পঢ়ি পাঠৰ বিষয়বস্তুৰ তথ্য আহৰণ কৰি বিশ্লেষণাত্মক ব্যাখ্যা কৰিব পাৰিব।
- ছন্দ মিলাই কবিতা আবৃত্তি কৰিব পাৰিব।
- বিশেষ ব্যক্তিৰ জীৱনী পঢ়ি বুজি পাব আৰু তেওঁলোকৰ আদৰ্শ নিজৰ জীৱনত প্ৰয়োগ কৰিবলৈ শিকিব।
- ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যপুথি, বাতৰি-কাকত, শিশু আলোচনী, পাঠ বহিৰ্ভূত বিভিন্ন বিষয়ৰ লিখনি পঢ়ি পৰা মানৱীয় প্ৰমূল্যবোধ আহৰণ কৰিব পাৰিব।
- ছাত্ৰ-ছাত্ৰীৰ মনত সুপ্ত হৈ থকা সৃজনীশীল প্ৰতিভাৰ বিকাশ হ'ব। নিজাববীয়াকৈ উদ্ভাৱনীমূলক কাম কৰিব পাৰিব। (গল্প, কবিতা, প্ৰবন্ধ আদি লিখি বাতৰি-কাকতৰ শিশু চ'ৰা, প্ৰাচীৰ পত্ৰিকা, বিদ্যালয়ৰ আলোচনীত প্ৰকাশৰ বাবে প্ৰেৰণ কৰিব পাৰিব।
- বিভিন্ন সাহিত্যিকৰ ৰচনাসমূহৰ প্ৰতি আগ্ৰহী হ'ব আৰু মাতৃভাষাৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব।
- ছাত্ৰ-ছাত্ৰীয়ে মান্যভাষাৰ মান্যৰূপৰ কথন ভংগী আয়ত্ত কৰিব পাৰিব।
- মান্যভাষাত আয়ত্ত কৰা নতুন শব্দ, জতুৱা ঠাচঁ, ফকৰা-যোজনা আদি শুদ্ধ ৰূপত কথা-বতৰা, আলোচনা, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আদিত প্ৰয়োগ কৰিব পাৰিব।



| | |
|---|---|
| ■ বিভিন্ন বিষয়বস্তু পৰ্যৱেক্ষণ কৰি নিজাববীয়াকৈ ৰচনা লিখা কৌশল আয়ত্ত কৰাৰ সুবিধা দিব।<br>■ নতুনকৈ পোৱা শব্দ জানিবৰ বাবে আৰু তাৰ অৰ্থ বুজিবলৈ অভিধান কেনেকৈ ব্যৱহাৰ কৰিব লাগে এই সম্পৰ্কে উৎসাহ দিব।<br>■ পাঠ্যপুথিত সন্নিবিষ্ট থলুৱা গীত-মাতসমূহ শুদ্ধ ৰূপত সংৰক্ষণৰ বাবে অভিজ্ঞ ব্যক্তিৰ দ্বাৰা বা কৰ্মশালাৰ জৰিয়তে শিকোৱাৰ ব্যৱস্থা কৰিব।<br>■ বৈদ্যুতিন মাধ্যমৰ ব্যৱহাৰ (দূৰদৰ্শন, ম'বাইল, হোৱাটচ্‌আপ্, ফেচবুক, ইণ্টাৰনেট) ৰ যোগাত্মক আৰু ঋণাত্মক দিশবোৰৰ বিষয়ে ধাৰণা দিব।<br>■ কৈশোৰ কালৰ বিভিন্ন মানসিক আৱেগিক বৈশিষ্ট্যৰ বিষয়ে আৰু এইবোৰৰ পৰা হ'বলগীয়া সমস্যাৰ বিষয়ে পঢ়াৰ আৰু আলোচনা কৰাৰ সুযোগ দিব। | ■ জাতীয় কলা-সংস্কৃতিৰ বিষয়ে জানিব আৰু সংৰক্ষণ কৰিবলৈ শিকিব।<br>■ নতুনকৈ পোৱা শব্দ জানিবৰ বাবে আৰু তাৰ অৰ্থ বুজিবলৈ অভিধানৰ ব্যৱহাৰ কৰিবলৈ শিকিব।<br>■ বিভিন্ন বিষয়ৰ শব্দ জ্ঞান বৃদ্ধি পাব। ফলত মাতৃভাষাৰ উপৰিও অন্যান্য বিষয়ৰ শব্দভাণ্ডাৰ চহকী হ'ব।<br>■ যিকোনো বিষয় সম্বন্ধে পৰ্যৱেক্ষণ কৰি ৰচনা লিখাৰ কৌশল আয়ত্ব কৰিব।<br>■ যিকোনো লিখনিত শুদ্ধ ৰূপত যতি, বিৰাম চিহ্নৰ ব্যৱহাৰ কৰিবলৈ শিকিব।<br>■ অসমীয়া ভাষাত প্ৰকাশিত পঠন সামগ্ৰী, ইণ্টাৰনেটত পোৱা তথ্য পঢ়ি, বুজি নিজৰ মতামত লিখিত/ব্ৰেইল পদ্ধতিত প্ৰকাশ কৰিব পাৰিব।<br>■ যিকোনো প্ৰসংগতেই হওক বা আনে কোৱা কথা শুনি নিজা ৰূপত লিখি প্ৰকাশ কৰিব পাৰিব।<br>■ বৈদ্যুতিন মাধ্যমৰ ব্যৱহাৰৰ নিয়মৰ বিষয়ে জানিব আৰু এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সজাগতা বৃদ্ধি পাব।<br>■ কৈশোৰ কালৰ বৈশিষ্ট্য সমূহৰ বিষয়ে জানি নিজৰ জীৱনত সন্মুখীন হোৱা সমস্যা সমাধান কৰিব পাৰিব।<br>■ বাস্তৱ জীৱনৰ লগত সামঞ্জস্য ৰাখি মৌখিক আৰু লিখিতভাৱে ব্যাকৰণ প্ৰয়োগৰ বিষয়ে জানিব পাৰিব। |

